# NSD NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 22-08-2026
**Time :** 0705  Hrs

## *Assamese Morning NSD Bulletin*
## HEADLINES

১। নতুন দিল্লীত অনুষ্ঠিত ইকনমিক টাইমছ্ ৱৰ্ল্ড লিডাৰ্ছ মঞ্চত ভাষণ দি প্ৰধানমন্ত্ৰীয়ে কয়, যে চৰকাৰে সংস্কাৰৰ ক্ষেত্ৰত এটা স্পষ্ট ৰূপৰেখা তৈয়াৰ কৰিছে।

২। ভাৰতৰ অধ্যক্ষতাত অনুষ্ঠিত ব্ৰীকছৰ পৰ্যটন মন্ত্ৰীসকলৰ বৈঠকত কালি জয়পুৰ ঘোষণাপত্ৰ গ্ৰহণ কৰা হয়।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ বিজ্ঞান ভৱনত অহা মাহৰ ৫ তাৰিখে ৪৮ গৰাকী বিদ্যালয়ৰ শিক্ষকক ৰাষ্ট্ৰীয় শিক্ষক বঁটা প্ৰদান কৰিব।

৪। দীনদয়াল অন্তোদয়া যোজনা-ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযান- DAY-NRLM ৰ অধীনত ঔদ্যোগীকৰণৰ ৰাষ্ট্ৰীয় অভিযানৰ দ্বিতীয় পৰ্যায় আৰম্ভ হৈছে।

*আৰু*

৫। ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ  মোহন বাগান ছুপাৰ জায়েণ্ট, ইষ্ট বেংগল এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে সংস্কাৰ বাধ্যতামূলক নহয়, বৰং ই চৰকাৰৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাহে। যি প্ৰতিশ্ৰুতিয়ে জনসাধাৰণ, বিকাশ আৰু উন্নয়নৰ প্ৰতি দায়বদ্ধ হৈ ইয়াৰ নীতি নিৰ্ধাৰণ কৰে।

নতুন দিল্লীত অনুষ্ঠিত ইকনমিক টাইমছ্ ৱৰ্ল্ড লিডাৰ্ছ মঞ্চত ভাষণ দি প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে তেওঁৰ চৰকাৰে সংস্কাৰৰ ক্ষেত্ৰত এটা স্পষ্ট ৰূপৰেখা তৈয়াৰ কৰিছে। যাৰ জৰিয়তে প্ৰশাসনৰ সকলো পৰ্যায়তে সংস্কাৰৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হৈছে। তেওঁ কয়, যে নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত কৰা সংস্কাৰে দেশৰ ভৱিষ্যতৰ নিৰাপত্তা সুনিশ্চিত কৰিব।

(বাইট ঃ মোদী)

প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে আঙুলিয়াই দিয়ে যে তেওঁৰ চৰকাৰে কেৱল নীতি নিয়ম সলনি কৰাই নহয়, বৰং ইয়াৰ আৰৰ সম্পূৰ্ণ ভাবনাকে সলনি কৰা হৈছে। তেওঁ কয়, যে আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা কোষৰ তথ্য অনুসৰি ভাৰত পৃথিৱীৰ সবাটোকৈ দ্ৰুত গতিত বৃদ্ধি হোৱা অৰ্থব্যৱস্থাৰ দেশসমূহৰ অন্যতম এখন ৰূপে পৰিগণিত হোৱাৰ পথত গৈ আছে।

প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে এখন পৃথিৱী, এটা পৰিয়াল, এটা ভৱিষ্যতৰ মন্ত্ৰ উল্লেখ কৰি কয়, যে পৃথিৱীৰ সকলো দেশৰে ভৱিষ্যৎ আন এখন দেশৰ সৈতে জড়িত হৈ আছে। স্বাধীনতা দিৱসত লালকিল্লাৰ পৰা দেশবাসীক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে ভাৰতৰ বিকাশৰ ক্ষেত্ৰত সাতটা প্ৰধান ক্ষেত্ৰত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে। ইয়াৰে ভিতৰত নিৰ্মাণখণ্ড, কৃষি আৰু খাদ্য প্ৰসংস্কাৰণ, প্ৰযুক্তি আৰু উদ্ভাৱন, সেউজ শক্তি আৰু নীলা অৰ্থব্যৱস্থাক অন্তৰ্ভুক্ত কৰা হৈছে।

প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে বিগত ১২ বৰ্ষত দেশৰ প্ৰায় ২৫ কোটি লোক দাৰিদ্ৰতাৰ পৰা মুক্ত হৈছে।

(বাইট ঃ মোদী)

তেওঁ ডিজিটেল ক্ষেত্ৰখনত ভাৰতৰ প্ৰগতি আৰু ফাইভ-জিৰ দ্ৰুত বিস্তাৰৰ কথা উল্লেখ কৰে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে দেশৰ ৫০ লাখতকৈও অধিক পৰিয়াল প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ বিনামূলীয়া বিজুলী যোগান আঁচনিৰ জৰিয়তে উপকৃত হৈছে। প্ৰধানমন্ত্ৰী শ্ৰী মোদীয়ে কয়, যে পি এম কুসুম আঁচনিৰ জৰিয়তে কৃষকসকল বিজুলী বিলৰ পৰা ৰেহাই পাইছে। তেওঁ কয়, যে চৰকাৰে যুৱক-যুৱতী, মহিলা, কৃষক আৰু মধ্যবিত্ত শ্ৰেণীৰ জীৱন সহজ আৰু সুন্দৰ কৰি তুলিবলৈ অহৰ্নিশে কাম কৰি আহিছে। তেওঁ লগতে কয়, যে ভাৰতৰ প্ৰগতিয়ে বিশ্বৰ স্থিৰতা শক্তিশালী কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

00000

ভাৰতৰ অধ্যক্ষতাত অনুষ্ঠিত ব্ৰিকছৰ পৰ্যটন মন্ত্ৰীসকলৰ বৈঠকত কালি জয়পুৰ ঘোষণাপত্ৰ সৰ্বসন্মতিক্ৰমে গ্ৰহণ কৰা হয়। এই ঘোষণাপত্ৰই ব্ৰিকছৰ সদস্য ৰাষ্ট্ৰসমূহৰ মাজত পৰ্যটন সহযোগিতা শক্তিশালী কৰাৰ পৰিকাঠামো প্ৰদান কৰে। ঘোষণাপত্ৰত পৰ্যটনত কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ, বহনক্ষম পৰ্যটন পদ্ধতি, দক্ষতা বিকাশ আৰু নিৰৱচ্ছিন্ন ভ্ৰমণৰ সুবিধাকে ধৰি সহযোগিতাৰ মূল ক্ষেত্ৰসমূহৰ ৰূপৰেখা দাঙি ধৰা হৈছে।

ৰাজস্থানৰ জয়পুৰত কেন্দ্ৰীয় সাংস্কৃতিক আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱতৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত অনুষ্ঠিত হয়।

বৈঠকত ভাষণ দি শ্ৰী শেখাৱাটে কয় যে ২০৪৭ চনৰ ভিতৰত বিকশিত ভাৰতৰ দিশে যাত্ৰাত পৰ্যটনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব আৰু ইয়াৰ দ্বাৰা প্ৰধান নগৰ কেন্দ্ৰসমূহৰ বাহিৰেও চহৰ, গাঁও আৰু দুৰ্গম অঞ্চললৈ অৰ্থনৈতিক বিকাশ সম্প্ৰসাৰণ কৰাৰ সম্ভাৱনা আছে। তেওঁ কয় যে এই খণ্ডই হোটেল আৰু হোমষ্টে, টেক্সি অপাৰেটৰ, পৰ্যটক গাইড, শিপিনী, কৃষক, উদ্যোগী আৰু লাখ লাখ পৰিয়ালৰ বাবে সুযোগ সৃষ্টি কৰে। তেওঁ আৰ্থিকভাৱে সমৃদ্ধিশালী, পৰিৱেশৰ প্ৰতি দায়বদ্ধ, প্ৰযুক্তিগতভাৱে সক্ষম আৰু সাংস্কৃতিকভাৱে প্ৰামাণিক পৰ্যটন পৰিৱেশ তন্ত্ৰ গঢ়ি তোলাৰ বাবে ভাৰতৰ প্ৰচেষ্টাৰ সন্দৰ্ভত আলোকপাত কৰে।

জয়পুৰ ঘোষণাপত্ৰই চাৰিটা মূল অগ্ৰাধিকাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰে, কৃত্ৰিম বুদ্ধিমত্তা আৰু পৰ্যটন,বহনক্ষমতা আৰু দায়িত্বশীল পৰ্যটন,পৰ্যটন দক্ষতা আৰু সামৰ্থ্য বিকাশ,আৰু পৰ্যটন বিনিময় আৰু নিৰৱচ্ছিন্ন ভ্ৰমণ সুবিধা। এই ঘোষণাপত্ৰই পৰ্যটন খণ্ডক ৰূপান্তৰিত কৰাৰ বাবে দায়িত্বশীল, নিৰাপদ আৰু মানৱকেন্দ্ৰিক কৃত্ৰিম বুদ্ধিমত্তা আৰু ডিজিটেল প্ৰযুক্তিৰ সম্ভাৱনাক স্বীকৃতি দিয়ে। ই পৰ্যটন পৰিকল্পনা, গন্তব্যস্থান ব্যৱস্থাপনা, দৰ্শনাৰ্থী সেৱা, বহুভাষিক যোগাযোগ আৰু ভ্ৰমণৰ সুবিধাৰ দৰে ক্ষেত্ৰত সহযোগিতাক সমৰ্থন কৰে।

এই বৈঠকত ব্ৰিকছৰ ৯খন সদস্য ৰাষ্ট্ৰৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰীসকলৰ ভিতৰত ব্ৰাজিলৰ পৰ্যটন মন্ত্ৰী গুস্তাভো কোষ্টা ফেলিচিয়ানো; ইৰাণৰ সাংস্কৃতিক ঐতিহ্য, পৰ্যটন আৰু হস্তশিল্প মন্ত্ৰী ৰেজা ছালেহি আমিৰী,দক্ষিণ আফ্ৰিকাৰ পৰ্যটন

মন্ত্ৰী পেট্ৰিচিয়া ডি লিল আৰু ইউ এ ইৰ অৰ্থনীতি আৰু পৰ্যটন মন্ত্ৰী আব্দুলা বিন টৌক আল মাৰী উপস্থিত আছিল। চীন, ইথিওপিয়া, ইণ্ডোনেছিয়া আৰু ৰাছিয়াৰ প্ৰতিনিধি দলৰ মুৰব্বীসকলেও এই বৈঠকত অংশগ্ৰহণ কৰে।

ব্ৰিকছৰ পৰ্যটন মন্ত্ৰীসকলৰ বৈঠকৰ পাছত সংবাদ মাধ্যমৰ আগত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱাটে কয় যে, বৈঠকত গ্ৰহণ কৰা জয়পুৰ ঘোষণাপত্ৰই ব্ৰিকছ ৰাষ্ট্ৰসমূহৰ যৌথ কৌশল আৰু সহযোগিতা শক্তিশালী কৰিব আৰু পৰ্যটনৰ ক্ষেত্ৰত নতুন সুযোগ মুকলি কৰিব। তেওঁ পৰ্যটন খণ্ডত কৃত্ৰিম বুদ্ধিমত্তাৰ অধিক ফলপ্ৰসূ ব্যৱহাৰৰ আহ্বান জনায়। তেওঁ দায়িত্বশীল পৰ্যটনক প্ৰসাৰিত কৰাৰ লগতে এই খণ্ডত দক্ষতা বিকাশৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শ্ৰীশেখাৱাটে কয় যে বিগত দশকত ভাৰত ভ্ৰমণলৈ অহা পৰ্যটকৰ সংখ্যা তিনিগুণ বৃদ্ধি পাইছে। তেওঁ লগতে কয় যে এই পদক্ষেপসমূহৰ দ্বাৰা জয়পুৰেও যথেষ্ট লাভৱান হোৱাৰ সম্ভাৱনা আছে।

এই বৈঠকৰ জৰিয়তে ভাৰতে পৰ্যটন সহযোগিতা অধিক আগুৱাই নিয়াৰ বাবে ব্ৰাজিল, ইৰাণ, দক্ষিণ আফ্ৰিকা আৰু সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়।

ooooo

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ বিজ্ঞান ভৱনত অহা মাহৰ ৫ তাৰিখে ৪৮ গৰাকী বিদ্যালয়ৰ শিক্ষকক ৰাষ্ট্ৰীয় শিক্ষক বঁটা প্ৰদান কৰিব। শিক্ষা মন্ত্ৰালয়ে জনোৱা অনুসৰি বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগে জিলা, ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত তিনিটা পৰ্যায়ৰ বাচনি প্ৰক্ৰিয়াৰ জৰিয়তে এই শিক্ষকসকলক নিৰ্বাচিত কৰিছে। নিৰ্বাচিত ৪৮ গৰাকী বিদ্যালয় শিক্ষক দেশৰ ২৭ খন ৰাজ্য, ৭ খন কেন্দ্ৰীয় শাসিত অঞ্চল আৰু ছটা সংগঠনৰ। এই শিক্ষকসকলৰ ভিতৰত ২৬ গৰাকী পুৰুষ শিক্ষক আৰু ২২ গৰাকী মহিলা শিক্ষয়িত্ৰী আছে। মন্ত্ৰালয়ে জনোৱা অনুসৰি ২০২৬ বৰ্ষৰ ৰাষ্ট্ৰীয় শিক্ষক বঁটাৰ বাবে যোগ্য শিক্ষকৰ পৰা অনলাইন স্ব-মনোনয়ন দাখিলৰ বাবে চলিত বৰ্ষৰ ১৫ জুনৰ পৰা ২০ জুলাইলৈ শিক্ষা মন্ত্ৰালয়ৰ পোৰ্টেল nationalawardstoteachers.education.gov.in খুলি দিয়া হৈছিল। দূৰদৰ্শন আৰু স্বয়মপ্ৰভা চেনেলযোগে এই বঁটা প্ৰদান অনুষ্ঠান পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

ooooo

দীনদয়াল অন্ত্যোদয়া যোজনা-ৰাষ্ট্ৰীয় গ্ৰাম্য জীৱিকা অভিযান- DAY-NRLM ৰ অধীনত কালিৰ পৰা চলিত বৰ্ষৰ ২১ নৱেম্বৰলৈ কেন্দ্ৰীয় চৰকাৰে আৰু তিনি মাহৰ বাবে ঔদ্যোগীকৰণৰ ৰাষ্ট্ৰীয় অভিযানৰ দ্বিতীয় পৰ্যায় আৰম্ভ কৰিছে। গ্ৰামোন্নয়ন মন্ত্ৰালয়ে কয়, যে এই অভিযানে মহিলাৰ ঔদ্যোগীকৰণ শক্তিশালী কৰিব আৰু ছয় কোটি লাখপতি বাইদেউ সৃষ্টিৰ লক্ষ্যত অৰিহণা যোগাব। ইয়াৰ জৰিয়তে আত্মসহায়ক গোটৰ মহিলাসকলৰ মাজত ঔদ্যোগীকৰণৰ প্ৰসাৰ, উদ্যোগৰ প্ৰচাৰ, ডিজিটেল আৰু ই-কমাৰ্চ ব্যৱস্থাৰ সম্প্ৰসাৰণ আৰু উৎপাদনক গোটক শক্তিশালী কৰা আদি দিশত গুৰুত্ব আৰোপ কৰা হ'ব। মন্ত্ৰালয়ে লগতে উল্লেখ কৰে যে, এই অভিযানৰ জৰিয়তে আত্মসহায়ক গোটৰ মহিলাসকলক ঔদ্যোগীকৰণ আৰু জীৱিকাৰ প্ৰশিক্ষণ, আত্মসহায়ক গোটৰ মহিলাৰ পৰিয়ালৰ

পাঁচ লাখ কিশোৰীৰ তথ্য কোষ সৃষ্টি কৰা, ৫০ হাজাৰ উদ্যোগৰ বাবে আনুষ্ঠানিক স্বীকৃতি, দুই লাখ সদস্যৰ দ্বাৰা উৎপাদক গোট আৰু ২০ লাখ মহিলাৰ মাজত কৃষি পৰিৱেশ বিজ্ঞানৰ পদ্ধতিৰ তথ্য কোষ সৃষ্টি কৰাৰ লক্ষ্য লোৱা হৈছে।

০০০০০

১৩৫ সংখ্যক ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত কাইলৈ কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগণত মোহন বাগান ছুপাৰ জায়েণ্ট, ইষ্ট বেংগল এফ চিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। মোহন বাগানে বৃহস্পতিবাৰে শ্বিলঙত হোৱা প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত বিগত দুটা বৰ্ষৰ চেম্পিয়ন নৰ্থ-ইষ্ট ইউনাইটেডক টাই ব্ৰেকাৰৰ সহায়ত ৪-৩ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আনহাতে ইষ্ট বেংগলে প্ৰথম ছেমি ফাইনেলত এফ চি দিল্লীক পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। উল্লেখযোগ্য যে মোহন বাগানে অভিলেখ সংখ্যক ১৭ বাৰ ডুৰাণ্ড কাপৰ খিতাপ দখল কৰাৰ বিপৰীতে ইষ্ট বেংগলে ১৬ বাৰ ডুৰাণ্ড কাপ জয় কৰিছে।

০০০০০

**সমাপ্ত**